بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## মক্কা যুদ্ধ বিজয়ৰ পিছত কিছুমান অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৫ আগষ্ট ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যোৱা জুমাত মই তিনিটা ডাঙৰ মূৰ্তি ভাঙি পেলোৱা সন্দৰ্ভত কৈছিলো। ইয়াৰ বিস্তাৰিত বিৱৰণ এনেদৰে বৰ্ণনা কৰা হৈছে যে হজৰত ছাআদ বিন জায়েদ আশ্বহলী (ৰাঃ)ৰ এটা অভিযান আছিল; ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক ২৪ ৰমজান ৮ হিজৰী তাৰিখে মিনাহ মূৰ্তিটো ভাঙি পেলাবলৈ প্ৰেৰণ কৰিছিল। সেয়া আহমৰ সাগৰৰ উপকূলত কাদিদৰ ওচৰত মুশ্বাল্লাল নামৰ ঠাইত বনোৱা হৈছিল। সেই কাৰণে ইয়াক মুশ্বাল্লাল অভিযান বুলি কোৱা হয়। হজৰত ছাআদ বিন জায়েদ আশ্বহলীয়ে যেতিয়া তাতে উপস্থিত হয়, এজন মূৰ্তিৰ নিৰীক্ষণকৰ্তা তাতে আছিল। সেই মূৰ্তিৰ নিৰীক্ষণকৰ্তাজনে কয় যে তুমি কি বিচৰা ? তেওঁ কলে যে মিনাহক বিধ্বস্ত কৰাটো বিচাৰো। তেওঁ কয় যে এই কাম তোমাৰ দ্বাৰা হোৱাটো অসম্ভৱ। তাৰ পিছত তেওঁ সেই মূৰ্তিৰ ফালে আগবাঢ়ে। বৰ্ণনাকাৰীয়ে কৈছে যে নাজানো এইটো সঁচা নে বা কেতিয়াবা ৰং বৃদ্ধি কৰি বৰ্ণনা কৰা হৈছে যে সেই সময়ত ক'লা বৰণৰ উলংঘা আৰু লেতেৰা চুলি থকা এগৰাকী মহিলাই কোঠালিৰ পৰা ওলাই আহিল; মূৰ্তিৰ নিৰীক্ষণকৰ্তাজনে নিজৰ মূৰ্তিটোক কয় যে হে মিনাহ! নিজৰ ক্ৰোধ দেখুৱা। হজৰত ছাআদ বিন জায়েদ আশ্বহিলী (ৰাঃ)য়ে সেই মূৰ্তিৰ নিৰীক্ষণকৰ্তাজনক হত্যা কৰি পেলায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে নিৰ্দিষ্টকৰণ কৰিছে যে যদি এই হত্যা কৰা বৰ্ণনাটো শুদ্ধ হয় তেন্তে সম্ভৱ যে সেই মূৰ্তিৰ নিৰীক্ষণকৰ্তাজনে প্ৰতিদ্বন্দ্বিতাৰ বাবে চেষ্টা কৰিছিল সেই কাৰণে এই প্ৰতিদ্বন্দ্বিতাত মৃত্যু বৰণ কৰিছে। কেৱল কু-দোৱা কৰাৰ বাবেই হত্যা কৰি পেলোৱা এইটো ইছলামৰ শিক্ষা নহয়; আৰু শুদ্ধ বুলিও গণ্য কৰিব নোৱাৰি আৰু

ই আঁহজৰত (ছাঃ)ৰ সাধাৰণ শিক্ষাৰ পৰিপন্থী।

নাখলাৰ ফালে হজৰত খালিদ বিন উলিদ (ৰাঃ)ৰ অভিযান; নবী কৰিম (ছাঃ)য়ে ২৫ ৰমজান, ৮ হিজৰী তাৰিখত জানুৱাৰী ৬২৯ চনত কুৰাইছ সকলৰ প্ৰখ্যাত মূৰ্তি উজ্জাক ভাঙি পেলোৱাৰে উদ্দেশ্যে হজৰত খালিদ (ৰাঃ)ক প্ৰেৰণ কৰিছিল। ইবনে ইছহাকে কয় যে যেতিয়া উজ্জা মূৰ্তিৰ সুৰক্ষাকাৰীয়ে হজৰত খালিদ (ৰাঃ)ৰ আগমনৰ সংবাদ পায় তেতিয়া মূৰ্তিৰ ওপৰত তৰোৱালখন ওলমাই তেওঁ পাহাৰৰ ওপৰত উঠি গৈ কবিতা পাঠ কৰিব ধৰিলে যে হে উজ্জা ! খালিদৰ ওপৰত এনেদৰে আক্ৰমণ কৰা যাতে তেওঁৰ একোৱে অৱশিষ্ট নাথাকে। যুদ্ধৰ অস্ত্ৰ পৰিধান কৰা আৰু নিজৰ শক্তি দেখুৱা। হে উজ্জা! যদি তুমি খালিদক হত্যা কৰিব নোৱাৰা তেন্তে তেওঁ পাপত লিপ্ত হোৱা ঘটনা সংঘটিত কৰা; বা তেওঁৰ পৰা ইয়াৰ পৰিশোধ লোৱা। হজৰত খালিদ (ৰাঃ)য়ে নাখালাত উপস্থিত হৈ উজ্জাৰ ঘৰৰ ওচৰৰ বগৰী গছখন কাটি পেলায় আৰু সেই ঘৰখনক ভাঙি পেলায় য'ত উজ্জা মূৰ্তিটো আছিল। ইয়াৰ পিছত তেওঁ মক্কালৈ উভতি আহি আঁহজৰত (ছাঃ)ৰ সন্মুখত প্ৰতিবেদন উত্থাপন কৰিলে। তেখেত (ছাঃ)য়ে কয় যে তাতে তুমি কোনো বিশেষ বস্তু দেখিছিলা নে ? হজৰত খালিদে নহয় বুলি উত্তৰ দিলে। তেখেত (ছাঃ)য়ে কয় যে তেন্তে তুমি উজ্জাক অন্ত পেলোৱা নাই। গতিকে পুনৰায় গৈ ইয়াৰ দুৰ্গ বিধ্বস্ত কৰি আহা। হজৰত খালিদ (ৰাঃ)য়ে আজ্ঞা পালন কৰাৰ বাবে তৎক্ষনাত তালৈ যায়, নিৰীক্ষণকৰ্তাই যেতিয়া দ্বিতীয়বাৰ তেওঁক দেখা পায় তেতিয়া তেওঁ পাহাৰত উঠি যায়। তেওঁ কৈ আছিল যে হে উজ্জা, তেওঁক ধ্বংস কৰি পেলোৱা। সেই মূৰ্তি ৰখা ঘৰখনৰ পৰা ছিন্নভিন্ন চুলি, ক'লা বৰণৰ এজনী মহিলা ওলাই আহে; হজৰত খালিদ (ৰাঃ)য়ে তেতিয়া এই কবিতা পঢ়ি আছিল যে হে উজ্জা! মই তোক অস্বীকাৰ কৰো, তোৰ পৱিত্ৰতা বৰ্ণনা নকৰো, মই দেখা পাইছো যে আল্লাই তোক লাঞ্ছিত কৰিছে। ইয়াৰ পিছত তেখেত (ৰাঃ)য়ে উভতি আহি আঁহজৰত (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ এই দৃশ্যৰ কথা কলে তেতিয়া আঁহজৰত (ছাঃ)য়ে কয় যে হয়, এইটো সেই উজ্জা হয় ! তেওঁ নিৰাশ হৈ গৈছিল যে তোমাৰ চহৰত এতিয়া ইয়াক কোনেও পূজা নকৰিব।

ছুআৰ ফালে হজৰত উমৰু বিন আচ (ৰাঃ)ৰ অভিযানৰ উল্লেখ আছে, এইটো ৰমজান মাহত ৮ হিজৰী তাৰিখত হৈছিল। উজ্জা মূৰ্তিৰ ধ্বংসৰ অভিযানৰ লগতে ৰছুলে কৰিম (ছাঃ)য়ে হজৰত উমৰু বিন আচ (ৰাঃ)ক ছুআ মূৰ্তিটো ভাঙি পেলোৱাৰ উদ্দেশ্যে প্ৰেৰণ কৰিছিল। সেই মূৰ্তিটো এজনী মহিলাৰ আকৃতিত আছিল। কোৰআন কৰিমে কিছুমান মূৰ্তিৰ নাম উল্লেখ কৰিছে। তাতে এই মূৰ্তিৰ কথাও উল্লেখ আছে। অৰ্থাৎ ছুৰা নুহত আছে যে তেওঁলোকে কলে যে নিজৰ উপাস্যক কেতিয়াও নেৰিবা, ৱিদ্দাক ত্যাগ নকৰিবা, ছাআ, ইয়াগুছ, ইয়াউক আৰু নাছৰক ত্যাগ নকৰিবা। বাস্তৱতে এইবোৰ সেই নিষ্ঠাবান মানুহৰ নাম যিসকল হজৰত নুহ (আঃ)ৰ জাতি আছিল। যেতিয়া তেওঁলোকৰ মৃত্যু হ'ল তেতিয়া চয়তানে সেই জাতিৰ হৃদয়ৰ মাজত এইটো সুমাই দিলে যে তেওঁলোকৰ (নিষ্ঠাবান লোকসকলৰ) ঠাইত য'ত তেওঁলোকে বহি থাকিছিল তাতে মূৰ্তি থিয় কৰাই দিয়া; আৰু সেই মূৰ্তিবোৰৰ নাম তেওঁলোকৰে নামেই ৰখা। তেওঁলোকে এনেকুৱাই কৰিছিল আৰু সেই মূৰ্তিবোৰক পূজা কৰিবলৈ ধৰিলে।

হজৰত উমৰু বিন আচ (ৰাঃ)য়ে যেতিয়া ৰিহাত নামৰ ঠাইত ছুআ মূৰ্তিৰ ওচৰত গৈ উপস্থিত হয় তাতে তেওঁ মূৰ্তিৰ নিৰীক্ষণকৰ্তাজনক লগ পায়। তেখেত (ৰাঃ)য়ে তেওঁক কয় যে মই ৰছুলে কৰিম (ছাঃ)ৰ আদেশ অনুযায়ী এই মূৰ্তিক ভাঙি পেলোৱাৰ বাবে আহিছো। তেওঁ উত্তৰ দিয়ে যে তুমি ইয়াক ভাঙিবলৈ কেতিয়াও সক্ষম নহয়। তেখেত (ৰাঃ)য়ে কাৰণ সোধাত তেওঁ উত্তৰ দিয়ে যে তোমাক নিশ্চয় বাধা

প্ৰদান কৰা হ’ব। তেখেত (ৰাঃ)য়ে কলে যে তোমাৰ ওপৰত পৰিতাপ ! এইটোৱে শুনিব পাৰেনে, দেখিব পাৰেনে ? তেখেত (ৰাঃ)য়ে আগবাঢ়ি গৈ ইয়াক ভাঙি পেলালে, আৰু নিজৰ লগৰীয়াক কলে যে সেই কোঠালিখনো ভাঙি পেলোৱা যিটো ইয়াৰ সৈতে নিৰ্মাণ কৰা হৈছে। তেওঁ সেইটোকো ভাঙি পেলালে। ইয়াৰ পিছত তেখেত (ৰাঃ)য়ে সেই মূৰ্তিৰ নিৰীক্ষণকৰ্তা জনক সুধিলে যে এতিয়া কওঁক, তেওঁ নিজৰ প্ৰভুৰ এই অৱস্থা চাই তৎক্ষণাত কৈ উঠিল যে মই আল্লাহৰ অনুসৰণ কৰোঁ আৰু ইছলাম গ্ৰহণ কৰোঁ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই উদ্ধৃতিত এই কথাৰ প্ৰমাণ পোৱা যায় যে প্ৰথমে যিজন মূৰ্তিৰ নিৰীক্ষণকৰ্তাজনক বা কোনোবাক হত্যা কৰাৰ যি কাহিনী বৰ্ণনা কৰা হৈছে সেইটো চিন্তা কৰাৰ বিষয়।

বনু জজিমাৰ ফালে হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ অভিযান; এইটো শ্বৱাল মাহৰ ৮ হিজৰী তাৰিখৰ ঘটনা। মক্কা বিজয়ৰ পিছত যেতিয়া খালিদ বিন অলিদ (ৰাঃ) য়ে উজ্জা মূৰ্তিখন ভাঙি পুনৰায় উভতি আহে, ইয়াৰ পিছত আঁহজৰত (ছাঃ) য়ে তেওঁক বনু জজিমাৰ ফালে প্ৰেৰণ কৰে যিটো ইয়ালামলামৰ প্ৰান্তত অৱস্থিত আছিল। নবী কৰিম (ছাঃ)য়ে হজৰত খালিদ (ৰাঃ)ক কয় যে এই গোষ্ঠীক ইছলামৰ ফালে আহ্বান কৰিবা, আৰু এয়াও কলে যে তেওঁলোকৰ সৈতে যুদ্ধ নকৰিবা। ইবনে ছায়াদে বৰ্ণনা কৰিছে যে যেতিয়া খালিদ (ৰাঃ)য়ে তেওঁলোকৰ ওচৰলৈ গ’ল তেতিয়া লোকসকলক সুধিলে যে তোমালোক কোন ধৰ্মৰ মানুহ ? তেওঁলোকে উত্তৰ দিলে যে আমি মুছলমান হওঁ। হজৰত খালিদ (ৰাঃ)য়ে প্ৰশ্ন কৰে যে তেন্তে তোমালোকে অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত কিয় ? তেওঁলোকে কয় যে আৰবৰ এটা জাতিৰ সৈতে আমাৰ শত্ৰুতা আছে, আমাৰ সন্দেহ হৈছে যে আপুনিয়েই সেই শত্ৰু জাতি; সেই কাৰণে আমি অস্ত্ৰ ধাৰণ কৰিছোঁ। বৰ্ণনাৰ পৰা জানিব পৰা যায় যে হজৰত খালিদ (ৰাঃ) তেওঁলোকৰ ফালৰ পৰা সন্তুষ্ট নাছিল। সেই কাৰণে তেওঁ এটা ৰাতিৰ অন্তিম সময়ত এই ফতোৱা দিলে যে এই কয়েদীসকলক হত্যা কৰি পেলোৱাটো যুক্তিযুক্ত বুলি ভাৱো। ইয়াৰ পিছত কিছুমান মুছলমানে বন্দীসকলক হত্যা কৰি পেলায়। কিন্তু মুহাজিৰ আৰু আনছাৰৰ কিছুমান পুৰণি মুছলমান দলে খালিদ (ৰাঃ)ৰ এই প্ৰস্তাৱৰ সৈতে সন্মতি প্ৰকাশ কৰা নাই আৰু বন্দীসকলক হত্যা কৰা নাছিল বুলি কৈছিল। আহঁজৰত (ছাঃ)য়ে যেতিয়া এই সমগ্ৰ ঘটনা জানিব পাৰে তেতিয়া তেখেত (ছাঃ)য়ে দুখ প্ৰকাশ কৰে। তেখেত (ছাঃ)য়ে কৈছিল যে মই খালিদক তেওঁলোকক হত্যা কৰিবলৈ কোৱা নাছিলো, মই কেৱল তেওঁলোকক ইছলামৰ ফালে আহ্বান জনাবলৈ কৈছিলো, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে নিজৰ উভয় হাতখন ওপৰলৈ উঠাই দুবাৰ খোদাৰ ওচৰত কয় যে হে আল্লাহ ! খালিদে যি কৰিছে মই ইয়াৰ বাবে তোমাৰ চৰণত দুখ প্ৰকাশ কৰোঁ।

ইয়াৰ পিছত হজৰত আলী (ৰাঃ)ক হত্যা হোৱা সকলৰ মুক্তিপণ আদায় কৰাৰ তথা সমগ্ৰ ঘটনাৰ তদন্ত কৰাৰ বাবে পঠিয়ায়। হজৰত আলী (ৰাঃ)য়ে তাতে গৈ সকলোবিলাক হত্যা হোৱা সকলৰ উত্তৰাধিকাৰী সকলক মুক্তিপণ আদায় কৰে আৰু তেওঁলোকৰ যিমান সা-সম্পদ মুছলমান সকলে লৈছিল সেইবোৰ উভতাই দিলে ইমানে যে কাঠৰ সেই পাত্ৰবোৰো উভতাই দিলে য’ত কুকুৰে পানী পান কৰিছিল। সকলোকে মুক্তিপণ দিয়াৰ পিছত কলে যে মই এই সকলোবোৰ সা-সম্পদ ৰছুলে কৰিম (ছাঃ)ৰ ফালৰ পৰা সাৱধানতা হিচাপে দি আছো যাতে এই ক্ষতিৰ সম্ভাব্য সমাধান হৈ যায় যাক আল্লাহৰ ৰছুলেও নাজানে আৰু তোমালোকেও নাজানা। ইয়াৰ পিছত নবী কৰিম (ছাঃ)য়ে বৰ আনন্দিত হয় আৰু হজৰত আলী (ৰাঃ)ক কয় যে তুমি ঠিক কৰিছা আৰু ভাল কৰিছা। এই ঘটনাৰ আগতে আঁহজৰত (ছাঃ)য়ে এটা সপোন দেখিছিল যে মই হায়েছ (খেজুৰ, পনিৰ আৰু ঘিউৰে মিশ্ৰিত খাদ্য) ৰ এমুঠি লৈ বৰ সোৱাদ পাইছিলোঁ, কিন্তু

মই যেতিয়া তাৰে কিছু অংশ গিলিবলৈ ধৰো তেতিয়া মোৰ গলত আটকি যায়, হজৰত আলীয়ে হাতখন সোমাই দি সেয়া বাহিৰলৈ উলিয়ায়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইয়াৰ ব্যাখ্যা বৰ্ণনা কৰি কৈছে যে হে আল্লাহৰ ৰছুল ! এইটো আপোনাৰ পঠিওৱা অভিযানৰ মাজৰ এটা অভিযান, যাক আপুনি ৰাওনা কৰিব, ইয়াৰ কিছু কাম আপোনাৰ পছন্দ হ'ব আৰু কিছু কাম আপত্তিজনক হ'ব। ইয়াৰ পিছত আপুনি হজৰত আলীক পঠিয়াব আৰু তেওঁ ইয়াক সহজ কৰি তুলিব, অৰ্থাৎ সমস্যাটো সমাধান কৰিব। অৰ্থাৎ এই অভিযানৰ ঘটনাৰ পৰা সেই সপোন পূৰ্ণতা লাভ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বুখাৰীৰ ব্যাখ্যাকাৰী ছৈয়দ জয়নুল আবেদিন ওলিউল্লাহ শ্বাহ চাহাব (ৰাঃ)য়ে বিস্তৃতভাৱে বুদ্ধিমত্তাৰে টোকা লিখিছে যে ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে হজৰত খালিদৰ কোনো কু-অভিপ্ৰায় নাছিল, তেওঁৰ দ্বাৰা এটা অজানিতে ভুল হৈ গৈছিল সেই কাৰণে আঁহজৰত (ছাঃ)য়ে হজৰত খালিদ (ৰাঃ)ৰ ওপৰত খং কৰিছিল আৰু খোদাৰ চৰণত নিজৰ দুখ প্ৰকাশো কৰিছিল। গৱেষণাৰ পিছত প্ৰমাণ হৈছিল যে কোনো ভুল বুজাবুজিৰ কাৰণে এনেকুৱা হত্যা হৈছিল, সেই কাৰণে তেখেত (ছাঃ)য়ে পৰিশোধৰ পৰিৱৰ্তে মুক্তিপণ দিয়াৰ সিদ্ধান্ত লৈছিল। হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ অনুৰোধ আৰু ক্ষমা বিচৰাৰ পিছত নবী কৰিম (ছাঃ)য়ে খালিদ (ৰাঃ)ক কেৱল ক্ষমা কৰাই নাছিল বৰঞ্চ কিছু দিন পিছত হুনাইনৰ যুদ্ধৰ বাবে প্ৰস্তুত কৰা প্ৰথম অশ্বাৰোহীৰ নিৰীক্ষণকৰ্তা আৰু সেনাসকলৰ প্ৰমুখ হিচাপে হজৰত খালিদ (ৰাঃ)ক নিযুক্ত কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াৰ বাহিৰেও আৰু দুটা সংক্ষিপ্ত অভিযানৰ উল্লেখ পোৱা যায়। এটা হৈছে ইয়ালামলাম অভিযান, আঁহজৰত (ছাঃ)য়ে হজৰত হিশাম বিন আচ (ৰাঃ)ৰ নেতৃত্বত ২০০ সেনাৰ অন্তৰ্ভুক্ত এই অভিযান মক্কাৰ পূৱ-দক্ষিণ ফালে অৱস্থিত ইয়ালামলামৰ ফালে প্ৰেৰণ কৰে। আনটো হৈছে উৰিনাৰ অভিযান; এইটো ইৰফাতৰ সন্মুখত অৱস্থিত এখন গাঁৱ। বৰ্ণনা কৰা হয় যে নবী কৰিম (ছাঃ)য়ে হজৰত খালিদ বিন ছাঈদ বিন আচ (ৰাঃ)ক ৩০০ সেনাৰ আমিৰ নিযুক্ত কৰি এইফালে ৰাওনা কৰিছিল। মহম্মদ বিন উমৰু ওৱাকদিয়ে এই অভিযানৰ কথা উল্লেখ কৰিছে। ইয়াৰ বাহিৰে বিখ্যাত জীৱনী লিখা সকলে ইয়াক বৰ্ণনা কৰা নাই। সেই কাৰণে এইটো শুদ্ধ নে নাই ইয়াৰ ওপৰত সন্দেহ আছে তথা ইয়াৰ কোনো বিস্তৃত ব্যাখ্যাও পোৱা নাযায়।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াৰ পৰা আঁহজৰত (ছাঃ)ৰ জীৱনী ভালদৰে জানিব পৰা যায় যে তেখেত (ছাঃ)য়ে কেতিয়াও কঠোৰতা প্ৰয়োগ কৰা নাই। গতিকে যুদ্ধত তেখেত (ছাঃ)য়ে হত্যা কৰাইছে বুলি যি অভিযোগ ইছলামৰ শত্ৰুসকলে উত্থাপন কৰে সেইটো ভুল। কেতিয়াবা ভুলবশত কিবা হলেও তেখেত (ছাঃ)য়ে কেৱল খং প্ৰকাশ কৰিছিল।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB